# **<u>গৌহাটী উচ্চ ন্যায়ালয়</u>**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**<u>গোচৰ নং : লেখ আবেদন (ফৌজদাৰী) নং ১২/২০২৩</u>**

জমিৰন খাতুন

স্বামী- আনিচুৰ ৰহমান,

গাঁও- আমেৰভিতা, চোটো বাহজানী

আৰক্ষী থানা- ধুবুৰী,

জিলা- ধুবুৰী, অসম

ডাক সূচাংক নং ৭৮৩৩২৪।

-বনাম-

১) ভাৰত চৰকাৰ আৰু অন্যান্য ৬

প্ৰতিনিধিত্ব কৰে- সচিব, ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়, নতুন দিল্লী, পিন- ১১০০০১

২)অসমৰ চৰকাৰ

প্ৰতিনিধিত্ব কৰে- সচিব, গৃহ আৰু ৰাজনৈতিক বিভাগ, দিচ্পুৰ, গুৱাহাটী-০৬

৩) অসমৰ চৰকাৰৰ আয়ুক্ত তথা সচিব,

গৃহ আৰু ৰাজনৈতিক বিভাগ, দিচ্পুৰ, গুৱাহাটী-০৬

৪)আৰক্ষী সঞ্চালক প্ৰধান, অসম, উলুবাৰী, গুৱাহাটী-০৫

৫)আৰক্ষী মহাপৰিদৰ্শক (পশ্চিম মণ্ডল)

অসম, বঙাইগাঁও, পিন- ৭৮৩৩৮০

৬)আৰক্ষী অধীক্ষক

জিলা-ধুবুৰী, অসম, পিন- ৭৮৩৩০১

৭) কাৰাগাৰ অধীক্ষক

জিলা-ধুবুৰী, পিন- ৭৮৩৩০

আবেদনকাৰীৰ বাবে : শ্ৰী এম. আহমেদ, অধিবক্তা।

উত্তৰদাতাসকলৰ বাবে : ১নং উত্তৰদাতাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শদাতা শ্ৰী জে. শৰ্মা।

উত্তৰদাতা ২নং ৰ পৰা ৭নংৰ বাবে: ডি.শইকীয়া, মহাধিবক্তা, অসম আৰু তেওঁক সহযোগ কৰে-জ্যেষ্ঠ চৰকাৰী অধিবক্তা, ডি. নাথে ।

**<u>মহামহিম মুখ্য ন্যায়াধীশ</u>**

**<u>আৰু মহামান্য ন্যায়াধীশ শ্ৰীমতী মিতালি ঠাকুৰিয়াৰ</u>**

**<u>খণ্ড বিচাৰপীঠ</u>**

**<u>১১.০৫.২০২৩</u>**

এই গোচৰত উল্লেখিত বন্দী আনিচুৰ ৰহমানক অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত তথা সচিবৰ ২৪.০৮.২০২২ তাৰিখৰ আদেশৰ ভিত্তিত নিচাযুক্ত দ্ৰব্য আৰু মনোৰোগ সৃষ্টিকাৰী পদাৰ্থৰ অবৈধ সৰবৰাহ প্ৰতিৰোধ আইন, ১৯৮৮ (ইয়াৰ পিছত “১৯৮৮ আইন” বুলি কোৱা হ’ব)ৰ অধীনত আটক কৰি ৰখা হৈছিল।

১০.০৫.২০২৩ তাৰিখে যেতিয়া গোচৰটো আদালতত উত্থাপন কৰা হৈছিল, আমি গোচৰৰ নথিত ব্যক্তিজনক বন্দী কৰি ৰখাটো নিশ্চিত কৰাৰ কোনো আদেশ

পোৱা নাছিলো আৰু এই সন্দৰ্ভত আদালতক অৱগত কৰিবলৈ অসমৰ চৰকাৰৰ বিদ্বান জ্যেষ্ঠ অধিবক্তা ডি. নাথ ডাঙৰীয়াক নিৰ্দেশ দিছিলো।

আজি ২নং আৰু ৩নং উত্তৰদাতাৰ হৈ শপতনামা দাখিল কৰা হৈছে, য'ত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে এবছৰলৈকে সৰ্বাধিক আটকৰ সময়সীমা আৰোপ কৰাটো নিশ্চিত কৰি অতি সোনকালে আদেশ জাৰি হোৱাৰ আশা কৰা হৈছে।

এই পটভূমিত, ১১.০৫.২০২৩ তাৰিখে লেখ আবেদন (ফৌজদাৰী) নং ১৭/২০২৩ ত এই আদালতে সিদ্ধান্ত লোৱা অনুসৰি বন্দী আনিচুৰ ৰহমানক তিনিমাহতকৈ অধিক সময়ৰ বাবে আটক কৰি ৰখাটো একেবাৰে অবৈধ, গতিকে আমি ইয়াৰ দ্বাৰা নিৰ্দেশ দিওঁ যে, যদিহে বন্দী আনিচুৰ ৰহমানক অন্য গোচৰৰ সংক্ৰান্তত প্ৰয়োজন নহয়, তেন্তে জিম্মাৰ পৰা তৎক্ষণাত মুকলি কৰি দিয়া হওক।

বন্দী আনিচুৰ ৰহমানক প্ৰায়ে চাৰে চাৰি মাহতকৈও অধিক সময়ৰ বাবে (তিনি মাহৰ প্ৰাৰম্ভিক সময়সীমা সম্পূৰ্ণ হোৱাৰ পিছত) সম্পূৰ্ণ অবৈধভাৱে বন্দী কৰি ৰখাৰ বাবে প্ৰতীকী ক্ষতিপূৰণ হিচাপে ৫০,০০০/-(পঞ্চাশ হাজাৰ) টকা ৩০(ত্ৰিশ) দিনৰ ভিতৰত আমি উত্তৰদাতা ৰাজ্য চৰকাৰে তেওঁক দিবলৈ নিৰ্দেশ দিওঁ।

ওপৰৰ পৰ্যবেক্ষণ আৰু নিৰ্দেশনাৰ দ্বাৰা এই লেখ আবেদন মঞ্জুৰ কৰা হল।

**ন্যায়াধীশ** **মুখ্য ন্যায়াধীশ**

মোকাবিলা সহায়ক